জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪০৮/২০২০

# প্ৰাক্তন বিধায়ক, বিশিষ্ট অভিনেতা, পৰিচালক পদ্মনাথ কৈৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৮ জুন ঃ** প্ৰাক্তন বিধায়ক, অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, বিশিষ্ট অভিনেতা, চাহ জনগোষ্ঠীৰ প্ৰথমগৰাকী চলচ্চিত্ৰ পৰিচালক পদ্মনাথ কৈৰীৰ পৰলোকপ্ৰাপ্তিত  গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত কৈৰীয়ে অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ঐতিহাসিক অসম আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰা প্ৰয়াত কৈৰীয়ে ১৯৮৫ চনত বিশ্বনাথ সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈ সমষ্টিটোৰ জনসাধাৰণৰ অভাৱ-অভিযোগসমূহ বিধানসভাৰ মজিয়াত বলিষ্ঠ ৰূপত দাঙি ধৰিছিল। চাহ জনগোষ্ঠীৰ প্ৰথমগৰাকী চলচ্চিত্ৰ পৰিচালক হিচাপে খ্যাতি অৰ্জন কৰা প্ৰয়াত শিল্পীগৰাকীয়ে সম্প্ৰদায়টোৰ সাংস্কৃতিক আৰু আৰ্থ-সামাজিক উন্নয়নৰ বাবে আজীৱন কাম কৰি গৈছে। প্ৰয়াত কৈৰীয়ে বহু কেইখন চলচ্চিত্ৰত অভিনয় কৰাৰ লগতে আকাশবাণী আৰু দূৰদৰ্শনযোগে প্ৰচাৰিত বহুতো নাটক আৰু ধাৰাবাহিকতো অভিনয় কৰিছিল। কেইবাখনো ধাৰাবাহিক আৰু চলচ্চিত্ৰও সুখ্যাতিৰে পৰিচালনা কৰা  পদ্মনাথ কৈৰীৰ বিয়োগ ৰাজ্যৰ ৰাজনৈতিক, সাংস্কৃতিক তথা সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত পদ্মনাথ কৈৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে প্ৰয়াত কৈৰীৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। ৰাজ্য চৰকাৰৰ হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী ৰঞ্জিত দত্তই ৰাজ্য চৰকাৰৰ হৈ শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকি প্ৰয়াত কৈৰীলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**০৮/০৬/২০২০**